# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-10-2024
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাত নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে।
২। আজি পক্ষাঘাত দিৱস।
৩। কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীলৈ যাব।
৪। মুম্বাইৰ চেম্বুৰ অঞ্চলত আজি পুৱা সংঘটিত অগ্নিকাণ্ডত ৩ জন নাৱালককে ধৰি এটা পৰিয়ালৰে ৭ জন সদস্য নিহত হয়। *আৰু*
৫। ডুবাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব।

ooo

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া সভাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এটা পদক্ষেপ। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বিয়েডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰিব।

বাইট

ooo

কেন্দ্ৰীয় বস্ত্ৰ আৰু বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই গ্ৰেনাডত ভাৰতীয় প্ৰব্ৰজনকাৰীৰ সৈতে এক অনুষ্ঠানত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অংশ লৈ সাংস্কৃতিক উদযাপন আৰু ঐতিহ্যৰ গভীৰ

অনুভূতিয়ে ভাৰত আৰু গ্রেনাডৰ মাজৰ শক্তিশালী বন্ধনক উজ্বল কৰি তুলিছিল বুলি মন্তব্য কৰে। তেওঁ লগতে সমাজলৈ ভাৰত গ্রেনেডিয়ান সম্প্ৰদায়ৰ অৱদানৰ বাবে গৌৰৱান্বিত বুলিও প্ৰকাশ কৰে।

০০০

আজি বিশ্বজুৰি পক্ষাঘাত দিৱস পালন কৰা হৈছে। সমাজত প্ৰচলিত কুসংস্কাৰক প্ৰত্যাহ্বান জনাই এখন সুস্থ সমাজ গঢ়ি তোলাৰ দিশত কাম কৰা মস্তিস্কৰ পক্ষাঘাত ৰোগত আক্ৰান্ত ব্যক্তিসকলক তেওঁলোকৰ পৰিচয় আৰু প্ৰতিভাৰ বাবে সন্মান জনোৱাই হৈছে এই দিৱসৰ মূল লক্ষ্য। উল্লেখযোগ্য যে এই দিৱস উপলক্ষে বিভিন্ন ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আৰু অক্ষম ব্যক্তি সৱলীকৰণৰ অধীনত থকা আঞ্চলিক কেন্দ্ৰসমূহে সমগ্ৰ দেশতে মস্তিস্কৰ পক্ষাঘাতৰ বিষয়ে সজাগতা সৃষ্টি আৰু ইয়াৰ দ্বাৰা আক্ৰান্তসকলক সৱলীকৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০

**এখন দেশ, এটা নিৰ্বাচন**ৰ উচ্চ পৰ্যায়ৰ সমিতিৰ নেতৃত্ব দিয়া  প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে কৈছে যে, দেশে **বিকশিত ভাৰতৰ** অবিৰত যাত্ৰাত এখন দেশ এটা নিৰ্বাচন নীতি গ্ৰহণ কৰিলে লাভৱান হব। নতুন দিল্লীত ৩০ সংখ্যক লালবাহাদুৰ শাস্ত্ৰী স্মৃতিচাৰণ বক্তৃতা প্ৰদান কৰি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰীকোবিন্দে লগতে কয় যে, উন্নত শাসন ব্যৱস্থা, নীতিৰ স্থিতিশীলতা, সামাজিক একতা, অৰ্থনৈতিক বৃদ্ধি আৰু বৰ্ধিত প্ৰতিযোগিতামূলক ক্ষমতাৰ ক্ষেত্ৰত এখন দেশ এটা নিৰ্বাচন নীতিয়ে সহায় কৰিব। তেওঁ লগতে কয় যে, ই অধিক সৰ্বাঙ্গীন আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ ক্ষেত্ৰতো মুখ্য ভূমিকা পালন কৰিব।

০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে বহুপাক্ষিক বিকাশ বেংকসমূহক শক্তিশালী কৰাৰ বাবে জি-২০ ৰাষ্ট্ৰ গোটৰ বিশেষজ্ঞ গোটে দিয়া মুঠ ৩০টা প্ৰস্তাৱৰ ভিতৰত ২৭টাক প্ৰস্তাৱক বিবেচনাৰ কৰাৰ বাবে বিশ্ব বেংকক প্ৰশংসা কৰিছে। নতুন দিল্লীত অধ্যাপক নিক ষ্টাৰ্ণৰ সৈতে হোৱা আলোচনাত শ্ৰীমতী সীতাৰমণে কয় যে, উন্নত দেশসমূহে উন্নয়নশীল দেশসমূহক ধন উপলব্ধ কৰোৱা আৰু প্ৰযুক্তি হস্তান্তৰৰ জৰিয়তে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা উচিত। উল্লেখযোগ্য অধ্যাপক নিক ষ্টাৰ্ণ ভাৰতৰ জি-২০ অধ্যক্ষতাৰ সময়ত বহুপাক্ষিক বিকাশ বেংকসমূহৰ বিকাশৰ বাবে গঠিত বিশেষজ্ঞ গোটৰ অন্যতম সদস্য।

০০০

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে হেমবাৰ্গ স্থায়ী বিকাশ সন্মিলনত ভাগ ল'ব। শ্ৰী যোশীয়ে জাৰ্মানী, লণ্ডনৰ মন্ত্ৰী আৰু আন বহু জ্যেষ্ঠ বিষয়াৰ সৈতে স্থায়ী বিকাশ, সেউজ হাইড্ৰ'জেন আৰু নৱীকৰণযোগ্য শক্তিৰ সন্দৰ্ভত দ্বিপাক্ষিক শৃংখলাৰ বৈঠকত ভাগ ল'ব। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ জৰিয়তে ভাৰত-জাৰ্মানীৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে ব্যৱসায়ৰ সুযোগ বৃদ্ধি তথা ভাৰত আৰু সমগ্ৰ বিশ্বতে নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণ ত্বৰান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

মুম্বাইৰ চেম্বুৰ অঞ্চলত আজি পুৱা সংঘটিত অগ্নিকাণ্ডত ৩ জন নাবালককে ধৰি এটা পৰিয়ালৰে ৭ জন সদস্য নিহত হয়। নিহত সকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। উল্লেখযোগ্যযে ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

০০০

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক এগৰাকীক কণিষ্ঠ চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ বিৰুদ্ধে ৬ গৰাকী কণিষ্ঠ চিকিৎসকে অনিৰ্দিষ্ট কাললৈ অনশন আৰম্ভ কৰিছে। তেওঁলোকৰ অনশনৰ স্বচ্ছতা প্ৰতিপন্ন কৰিবৰ বাবে অনশনথলীত চিচিটিভিও স্থাপন কৰা হৈছে। আন এটা ঘটনাত বাৰুইপুৰ আদালতে পশ্চিমবংগৰ দক্ষিণ চবিবছ পৰগনা জিলাৰ জয়নগৰত চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীক ধৰ্ষণ আৰু হত্যা কৰাৰ অভিযোগত মুস্তাকিন চৰ্দাৰ নামৰ লোকজনৰ আৰক্ষীৰ জিম্মা ৭ দিনৰ বাবে বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে, কালি পুৱতি নিশা মৃত অৱস্থাত শিশুটি উদ্ধাৰ কৰা হৈছে।

০০০

চেন্নাইত আজি ৭২ খন যুজাৰু বিমান আৰু হেলিকপ্তাৰৰ ৰাজকীয় প্ৰদৰ্শনৰ সৈতে ভাৰতীয় বায়ু সেনাৰ ৯২ সংখ্যক বৰ্ষপুৰ্তি উদযাপন আৰম্ভ হয়। এই প্ৰদৰ্শনে লাখ লাখ দৰ্শকক আকৰ্ষণ কৰিছে। এই অনুষ্ঠান ২১ বছৰৰ পিছত মিৰিণাৰ বালিচৰত অনুষ্ঠিত হয়। ভাৰতীয় বায়ুসেনাৰ শ্বেটক, ৰাফেল, ডাকোটা, হাৰ্ভাৰ্ড, এম আই জি, কাবেৰী, নীলগিৰি, কাৰ্তিকেয়া, ধনুষ আদি নামৰ যুজাৰু বিমানসমূহে নিজৰ শক্তি প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত তামিলনাডুৰ মুখ্যমন্ত্ৰী এন কে ষ্টালিন, উপ মুখ্যমন্ত্ৰী উধয়া নিধি ষ্টেলিন, ৰাজ্যিক মন্ত্ৰী আৰু প্ৰতিৰক্ষা বাহিনীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। সমগ্ৰ চহৰখনতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। এই প্ৰদৰ্শনৰ বাবে চেন্নাই বিমান বন্দৰৰ বিমানসেৱাৰ সময় সালসলনি কৰা হৈছে।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি উত্তৰ-পূব আৰু দক্ষিণ ভাৰতত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ পূৰ্বাভাস প্ৰকাশ কৰিছে। বিভাগটোৱে কৈছে যে, অনাগত দিনসমূহত উত্তৰ-পশ্চিম, পশ্চিম আৰু মধ্য ভাৰতত বৰষুণৰ কোনো বিশেষ সম্ভাৱনা নাই। অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, আৰু তামিলনাডুত অহা ২-৩ দিনত প্ৰচুৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০

ডুবাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰিব পাৰিলে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে প্ৰতিযোগিতাৰ প্ৰথমটো পইণ্ট লাভ কৰিব।

উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ভাৰতীয় দলটোৱে নিউজিলেণ্ডৰ হাতত পৰাস্ত হৈছিল। খেলৰ পূৰ্বে হোৱা সংবাদমেলত ভাৰতীয় দলটোৰ সহকাৰী প্ৰশিক্ষক অভিষাৰ ছালভিয়ে কয় যে, ভাৰতে কেনেদৰে পৰাজয়ৰ পৰা বিজয়ৰ দিশত আগবাঢ়িব লাগে সেয়া ভালদৰে জানে। ইপিনে পাকিস্তানে নিজৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাস্ত কৰে।

০০০

সমাপ্ত